**SET – 4**

**Series : HRK/C**

**Code No. 15**

**Roll No.** | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **7** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **16** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# SUMMATIVE ASSESSMENT – II

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* | *সৰ্বমুঠ নম্বৰ : 90*

*Time allowed : 3 Hours* | *Maximum Marks : 90*

The question paper is divided into four sections :

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 15 marks |
| SECTION C : Grammar | 25 marks |
| SECTION D : Literature/Text Books | 35 marks |

## SECTION – A

1. তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

গ্ৰীচত দুই ৰকম প্ৰণালীৰে ছাত্ৰক শিক্ষা দিছিল; এক ৰকম প্ৰণালীক স্পাৰ্টান আৰু আন ৰকমক এথেনিয়াম বুলিছিল । স্পাৰ্টান প্ৰণালীমতে শাৰীৰিক উন্নতিৰ নিমিত্তে বিশেষ যত্ন কৰিছিল । সাহসী আৰু দুখ সহিব পৰা যোদ্ধা তৈয়াৰ কৰাই এই প্ৰণালীৰ প্ৰধান উদ্দেশ্য আছিল । তেঁওবিলাকৰ মতে, প্ৰতি মানুহেই দেশৰ সম্পত্তি আৰু সেই গুনে দেশক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰাই প্ৰতি মানুহৰ কৰ্তব্য । শাৰীৰিক বল আৰু যুদ্ধ বিদ্যাত নিপুণতা লাভ কৰাই শিক্ষাৰ প্ৰধান লক্ষ্য আছিল । এথেনিয়াম প্ৰণালীমতে শৰীৰ আৰু মন দুয়োৰে উন্নতি সাধন কৰা শিক্ষাৰ উদ্দেশ্য আছিল । এই প্ৰণালীত ছাত্ৰক সংগীত আৰু সুকুমাৰ বিদ্যাত পাৰ্গত কৰিবলৈ চাইছিল । সৌন্দৰ্যবোধ, শিল্পকলা, বাগ্মিতা, তত্বজ্ঞান তেওঁলোকৰ শিক্ষাৰ প্ৰধান অংগ আছিল । এথেনিয়াম প্ৰণালীৰ প্ৰৱৰ্তক আছিল ছক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটল । পৃথিৱীৰ ভিতৰত পোন প্ৰথমে গ্ৰীক সকলেই শিক্ষাক বৈজ্ঞানিক প্ৰণালীত প্ৰতিষ্ঠিত কৰে । তেঁওবিলাকেই জয় জয়তে মানুহৰ সকলো লুকাই থকা ক্ষমতা বিলাকক নিয়মমতে বিকাশ কৰিবৰ নিমিত্তে শিল্পবিধান কৰে ।

ৰোম দেশৰ শিক্ষা পদ্ধতিৰ মুখ্য উদ্দেশ্য আছিল মানুহক সকলো কামৰ নিমিত্তে কামিলা কৰা; ৰাজভক্ত প্ৰজা আৰু সাহসী যোদ্ধা তৈয়াৰ কৰাই শিক্ষাৰ ঘাই উদ্দেশ্য আছিল । ৰোমত এজন শিক্ষিত মানুহ মানে বুজাইছিল তেওঁ ন্যায়পৰায়ণ, উদাৰ আৰু কৰ্মী লোক । ৰোমত সাধাৰণতন্ত্ৰ প্ৰতিষ্ঠা হ'বৰ দিনৰ পৰা প্ৰতি গৃহস্থৰ ঘৰ, তেওঁৰ পৰিবাৰৰ ল'ৰা-ছোৱালী বিলাকৰ শিক্ষাক্ষেত্ৰ বুলি গণ্য কৰা হয় । কিন্তু এইদৰে দিয়া শিক্ষাৰ ফল ভাল নোহোৱাত ৰোমান সকলে গ্ৰীচ দখল কৰাৰ পিছত তেঁও-বিলাকৰ নিজৰ শিক্ষা-প্ৰণালী পৰিত্যাগ কৰি গ্ৰীচৰ প্ৰণালীক গ্ৰহণ কৰিছিল ।

ইংলণ্ড, আমেৰিকা, জাপান আদি আধুনিক জাতি বিলাকৰ শিক্ষা-প্ৰণালীতো মানুহৰ এই তিনিটা বস্তুক অৰ্থাৎ মন, হৃদয় আৰু শৰীৰক উন্নত কৰাৰ বিশেষ বন্দোবস্ত আছে । তেনেহ'লে বোপদেওসকল আপোনাসকলে ভালকৈ বুজি লব লাগে যে কিছুমান কিতাপ পঢ়ি বা মুখস্থ কৰি কেইটামান পৰীক্ষা "পাছ" কৰাই মানুহৰ পৰম পুৰুষাৰ্থ নহয় । ছাত্ৰ অৱস্থাতে মনৰ উৎকৰ্ষ সাধন কৰি হৃদয়বান আৰু শৰীৰৰ উৎকৰ্ষ সাধন কৰি নিৰোগী আৰু বলৱান হোৱা শিক্ষাৰ ঘাই উদ্দেশ্য । সকলো দেশতে অতি প্ৰাচীন কালৰে পৰা শিক্ষাৰ এই তিনিটা উদ্দেশ্য লাভ কৰিবৰ নিমিত্তেই প্ৰচলন হৈ আহিছে ।

আন আন দেশৰ শিক্ষা-পদ্ধতিৰ কথা উল্লেখ কৰি প্ৰাচীন কালত ভাৰতবৰ্ষৰ শিক্ষা-পদ্ধতি কেনে আছিল সেই বিষয়ে কোনো কথা নক'লে আপোনাসকলে মোক দুষিব পাৰে, সেই গুনে প্ৰাচীন ভাৰতত শিক্ষা কেনে আছিল তাকো কঁও শুনক । আৰ্য্য শিক্ষাৰ মূলমন্ত্ৰ মোক্ষ লাভ হ'লেও তাক কৰ্ম, ভক্তি আৰু জ্ঞানৰ ভিতৰেদি পোৱাৰহে বিধান কৰিছে । প্ৰতি মানুহৰ পুৰুষাৰ্থ চাৰিভাগে ভাগ কৰিছিল, যেনে – ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ । মোক্ষক পৰম পুৰুষাৰ্থ বুলি ধৰিলেও তাৰ অধিকাৰী স্বভাৱতে কম হ'ব বুলি ভাবি সৰ্বসাধাৰণ মানুহৰ নিমিত্তে ধৰ্ম, অৰ্থ আৰু কাম – এই তিনিবৰ্গৰ সাধন বিধান কৰিছিল । অনেকে ভুল কৰে যে হিন্দুৰ শিক্ষা আছিল মানুহক সংসাৰ ত্যাগী বা সংসাৰী কৰা । ত্যাগ শিক্ষাৰ চৰম উদ্দেশ্য হ'লেও অনাসক্ত ভোগকহে তেঁওবিলাকে ত্যাগ বুলি ধৰিছিল ।

প্ৰাচীন ভাৰতবৰ্ষত বিশ্ববিদ্যালয় বিলাক কেনেকৈ সৃষ্টি হ'ল সেই কথা কবলৈ গলে অনেক কথা ক'ব লাগে । সেই দেখি এইখিনিতে আমি সেই বিলাকৰ নাম আৰু তাত কেনেকৈ ছাত্ৰবিলাকক পঢ়াইছিল, তাকেহে মাত্ৰ উল্লেখ কৰিম । আজিলৈকে অনুসন্ধানৰ ফলত জানিব পৰা গৈছে যে প্ৰাচীন ভাৰতত এই ছটা বিশ্ববিদ্যালয় আছিল, যেনে – তক্ষশীলা, শ্ৰী ধান্যকটক, নালন্দা, উদান্তপুৰী, দেৱ বিহাৰ বা বিক্ৰমশীলা আৰু উজ্জয়িনী ।

তক্ষশীলাত যি বিশ্ববিদ্যালয় আছিল, সি খ্ৰীষ্টপূৰ্ব এক শতিকালৈকে আছিল । এই বিশ্ববিদ্যালয়ৰ তলত কেবাখনো চতুস্পাঠী আছিল আৰু তাত ওঠৰবিধ বিদ্যা শিক্ষা দিয়া হৈছিল । ভাস্কৰ্য্য-বিদ্যা, চিত্ৰাঙ্কন, মূৰ্তি কটা আৰু আন আন হাতেৰে কৰা বিদ্যা শিক্ষা দিয়া হৈছিল । ইয়াতে আত্ৰেয় ঋষিয়ে আয়ুৰ্বেদ শিক্ষা দিছিল । বুদ্ধদেৱৰ চিকিৎসক জীৱক এই আত্ৰেয় মুনিৰে ছাত্ৰ আছিল । এই বিশ্ববিদ্যালয়তে জীৱকে সাত বছৰ পঢ়িছিল আৰু পাণিনী আৰু চাণক্যও এই বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল । এই বিশ্ববিদ্যালয় পঢ়িবলৈ পশ্চিমৰ পৰা পাৰস্য দেশৰ ছাত্ৰ আহিছিল আৰু বেক্ট্ৰিয়া আৰু মগধ দেশৰ পৰা ছাত্ৰই আহি পঢ়িছিল ।

(হেমচন্দ্ৰ গোস্বামী)

(i) গ্ৰীচত কি কি প্ৰণালীৰে শিক্ষা দিয়া হৈছিল ? **1**

(ii) এথেনিয়াম প্ৰণালীমতে শিক্ষাৰ উদ্দেশ্য কি আছিল ? **1**

(iii) ৰোম দেশৰ শিক্ষা পদ্ধতিৰ মুখ্য উদ্দেশ্য কি আছিল ? **1**

(iv) এথেনিয়াম প্ৰণালীৰ প্ৰৱৰ্তক কোন আছিল ? **1**

(v) প্ৰতি মানুহৰ পুৰুষাৰ্থক কেইভাগত ভাগ কৰা হৈছে ? সেই ভাগকেইটাৰ নাম লিখা । **1**

(vi) চাণক্য কোন বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল ? **1**

(vii) জাপানৰ শিক্ষা প্ৰণালীত কিহৰ বন্দোবস্ত আছে ? **1**

(viii) তক্ষশীলা বিশ্ববিদ্যালয়ত পঢ়িবলৈ পশ্চিমৰ কোনখন দেশৰ ছাত্ৰ আহিছিল ? **1**

(ix) তক্ষশীলা বিশ্ববিদ্যালয়ত আয়ুৰ্বেদ শিক্ষা কোনে দিছিল ? **1**

(x) বুদ্ধদেৱৰ চিকিৎসক কোন আছিল ? **1**

(xi) ছক্ৰেটিছ কোন দেশৰ লোক ? **1**

(xii) বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ আন এটা নাম কি ? **1**

(xiii) শুদ্ধ উত্তৰটো লিখা – **1**

শিল, ধাতু আদিৰে মূৰ্তি সজা শিল্প –

স্থাপত্য / ভাস্কৰ্য্য / চিত্ৰকলা

(xiv) সন্ধি ভাঙা - উল্লেখ **1**

(xv) তলত দিয়া শব্দটোত কি উপসৰ্গ যোগ হৈছে ? **1**

উৎকৰ্ষ

## SECTION – B

2. (ক) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প এটা লিখি তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা - **6 + 2 + 2 = 10**

ধূৰ্ত শিয়াল – হাঁহ ধৰিবলৈ গৈ – ধোবাৰ চোতালৰ নীলৰ পানীৰ পাত্ৰত পৰিল – হাবিলৈ অহাত তাক দেখি সকলোৰে ভয় খালে – শিয়াল ৰজা হ'ল – এদিন হোৱা দি ধৰা পৰিল – সিংহ, বাঘে তাক মাৰি পেলালে ।

**অথবা**

(খ) তলত দিয়া যিকোনো এটা বিষয় লৈ দুশ মান শব্দৰ ভিতৰত এখন ৰচনা লিখা – **10**

(i) ভাৰতত পালন কৰা এটা ৰাষ্ট্ৰীয় দিৱস

(ii) ছাত্ৰৰ কৰ্তব্য

3. তলত দিয়া যিকোনো এটা ফকৰা যোজনা বুজাই লিখা । **5**

(ক) ৰাইজে নখ জোকাৰিলে নৈ বয়

(খ) টেঙা আম এবাৰহে বেচিব পাৰি ।

**অথবা**

তোমাৰ বিদ্যালয়ত পতা প্ৰদৰ্শনী (An Exhibition) খনৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত নিজৰ নাম সাংকেতিক চিনত লিখিবা) **5**

## SECTION – C

4. (ক) তলত দিয়া শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুওৱা – গাঁৱলীয়া, সাৰুৱা, বজৰুৱা, এলেহুৱা **1 × 4 = 4**

(খ) ‘‘আলি’’ প্ৰত্যয় ব্যৱহাৰ হোৱা দুটা শব্দ লিখা । **1 × 2 = 2**

5. এটা শব্দত প্ৰকাশ কৰা – (শুদ্ধ উত্তৰটো লিখা) **1 × 5 = 5**

(ক) যি বস্তু দিব পৰা নাযায় - আদায় / আদেয় / অদেয়

(খ) যাক সহজতে লাভ কৰিব নোৱাৰি - সুলভ / দুৰ্লভ / সহজলভ্য

(গ) যি মাতৃৰ মাত্ৰ এটাহে সন্তান – কাকবন্ধ্যা / সহোদৰ / সহপাঠী

(ঘ) যাক সহজে ভেদ কৰিব নোৱাৰি - দুৰ্ভেদ্য / অভেদ্য / দূৰ্লংঘ্য

(ঙ) যাৰ হাত আঁঠুৰ তললৈকে পৰা - আজানুলম্বিত / সব্যসাচী / হাতদীঘল

6. তলত দিয়া শব্দকেইটাৰ বিপৰীতাৰ্থক শব্দ লিখা – **1 × 5 = 5**

উদাৰ, গুণী, বিৰহ, দাতা, সম্পদ

7. (ক) লিংগ পৰিবৰ্ত্তন কৰা – **1 × 4 = 4**

ধোবা, লিগিৰা, গোঁহাই, তাঁৰৈ

(খ) লিংগ শব্দই ব্যাকৰণত কি বুজায় ? **1**

8. তলত দিয়া বাক্যবোৰ শুদ্ধকৈ লিখা – **1 × 4 = 4**

(ক) ছাত্ৰমখা বিদ্যালয়ত উপস্থিত আছিল ।

(খ) ৰান্ধনিয়ে ভাত বনাইছে ।

(গ) চোৰ গলে বুদ্ধি মানুহ গলে জাপি

(ঘ) তেঁও আজি বজাৰ যোৱাৰ কথা ভাবিছে ।

## SECTION – D

9. মাত্ৰ এশাৰীত উত্তৰ লিখা – **1 × 4 = 4**

(ক) ৰাণা প্ৰতাপ সিংহ কোন ?

(খ) লাচিত বৰফুকনে কিয় মোমায়েকৰ ভিঙি কাটিছিল ?

(গ) আজান ফকিৰ কোন ?

(ঘ) "ৰছুল" শব্দৰ অৰ্থ কি ?

10. চমু উত্তৰ লিখা – **2 × 3 = 6**

(ক) চমুটোকা লিখা - জিকিৰ

(খ) "মোৰ দেশ মানুহৰ দেশ" কবিতাটোৰ মাজেৰে কবিয়ে কি ভাব প্ৰকাশ কৰিছে ?

(গ) "মোৰ দেশ মানুহৰ দেশ" নামৰ কবিতাটোত উল্লেখ কৰা অঙ্কোৰৱট নামৰ মন্দিৰটোৰ বিৱৰণ দিয়া ।

11. তাৎপৰ্য ব্যাখ্যা কৰা – (যি কোনো এফাঁকি কবিতাৰ) **1 × 5 = 5**

(ক) দেও মাৰি পাৰ হৈ জীৱই আছে চাই ।
চোৰা চোৰা জীৱসকল ভেলৰে বিলাই ।।

(খ) নতুন দিনৰ স্বপ্নদুচকুত
ডেকা গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয় ।

12. তোমাৰ পাঠৰ সহায়ত মাত্ৰ এশাৰীত উত্তৰ লিখা – **1 × 4 = 4**

(ক) বৃটিছ অহাৰ পিছত কি প্ৰতিষ্ঠা হ'ল ?

(খ) অসম দেশত প্ৰাচীন কালত কি কি ধৰ্ম প্ৰচলিত আছিল ?

(গ) নিউটন কোনখন বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল ?

(ঘ) নিউটন দ্বাৰা ৰচিত গ্ৰন্থখনৰ নাম লিখা ।

13. চমু উত্তৰ লিখা – **2 × 3 = 6**

(ক) জীৱন জোৰা অধ্যয়নৰ পিছত কেপলাৰে কি প্ৰমাণ কৰি দেখুৱাইছিল ?

(খ) ভাৰতৰ অন্যান্য ৰাজ্যৰ মানুহ কি কি কাৰণত অসমলৈ আহি নিগাজীকৈ বহিল ?

(গ) চমু টোকা লিখা – লোকগীত ।

14. তলত দিয়া যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা – **1 × 5 = 5**

(ক) তাৎপৰ্য ব্যাখ্যা কৰা –

এইয়া আছিল দিয়া-লোৱা আৰু এৰা-ধৰাৰ ব্যৱস্থা ।

(খ) লণ্ডন ৰয়েল ছ'চাইটি কেতিয়া স্থাপন হৈছিল ? এই ছ'চাইটিৰ সৈতে নিউটন কেনেদৰে জড়িত হৈছিল বুজাই লিখা ।

15. এশাৰীত উত্তৰ লিখা – **1 × 3 = 3**

(ক) বলাইহ'তে চোৱা ভাওনাখনৰ নাম কি আছিল ?

(খ) সুলেখাই কি খাই ভালপায় ?

(গ) চৈধ্য নবেম্বৰৰ দিনা কোনে প্ৰেৰণাক সন্মানিত কৰিছিল ?

16. প্ৰেৰণাই কিয় দেশৰ ৰাষ্ট্ৰপতিলৈ চিঠি লিখিব খুজিছিল ? **2**